# লিখন কলা

**প্ৰস্তুতকৰ্তা: ৰুকুনুদ্দিন আহমেদ**

**সহকাৰী অধ্যাপক, অসমীয়া বিভাগ**

## ১. ০০ : ভাষা আয়ত্ত কৰাৰ কৌশলসমূহ :

ভাষাৰ মৌলিক দক্ষতা বুলিলে সাধাৰণতে এটা ভাষাত যোগাযোগ কৰিবলৈ প্ৰয়োজনীয় মৌলিক দক্ষতাক বুজায়। এই দক্ষতাসমূহক চাৰিটা মূল ভাগত ভাগ পাৰি:

শ্ৰৱণ- কথন- পঠন- লিখন

১) শুনা – কথিত ভাষা শুনি বুজিব পৰা দক্ষতা।

২) কথা কোৱা – দৈনন্দিন কথা-বতৰাত ভাষা ব্যৱহাৰ কৰি ভাৱ বিনিময় কৰিব পৰা দক্ষতা। শুদ্ধ উচ্চাৰণ আয়ত্ত্ব কৰিব পৰা দক্ষতা।

৩) পঢ়া – লিখিত পাঠৰ আখৰ, শব্দ, বাক্য আদি বানান কৰিব পৰা,

চিনিব আৰু বুজিব পৰা দক্ষতা। উচ্চাৰণ, বিৰাম বা যতি, লয়, ছন্দ আদিৰ সঠিক ব্যৱহাৰ শিকিব পৰা দক্ষতা।

৪) লিখা – লিখিত ভাষাৰ জৰিয়তে চিন্তা প্ৰকাশ কৰিব পৰা দক্ষতা। বানান, বাক্য গাঁথনি, বিৰাম চিহ্নৰ ব্যৱহাৰ সম্পৰ্কীয় দিশবোৰো ইয়াৰ সৈতে জড়িত।

ভাষাজ্ঞানৰ বাবে শব্দভাণ্ডাৰ, উচ্চাৰণ, ব্যাকৰণ, বাক্য গঠন প্ৰণালী আয়ত্ত কৰাটো অতি প্ৰয়োজনীয়।

## ১.০১: লিখন দক্ষতা কি ?

লিখিত পাঠৰ জৰিয়তে চিন্তা, ধাৰণা আৰু তথ্য স্পষ্ট আৰু ফলপ্ৰসূভাৱে প্ৰকাশ কৰাৰ ক্ষমতাক লিখন দক্ষতা বোলে। ইয়াৰ লগত কেইবাটাও উপাদান জড়িত হৈ থাকে: সঠিক ব্যাকৰণ, গাঁথনি আৰু শব্দভাণ্ডাৰ ব্যৱহাৰ কৰি লিখিত ভাষাৰ জৰিয়তে চিন্তা, ধাৰণা আৰু তথ্য ফলপ্ৰসূভাৱে যোগাযোগ কৰাৰ সক্ষমতা অৰ্জনকৰাটোৱে লিখাৰ দক্ষতাৰ মূল আধাৰ। ইয়াৰ লগত এক নিৰ্দিষ্ট উদ্দেশ্য আৰু পাঠক গোষ্ঠীৰ লগত খাপ খুৱাই সুসংহত আৰু যুক্তিসংগতভাৱে বিষয়বস্তু উপস্থাপন কৰাৰ প্ৰসঙ্গ জড়িত হৈ থাকে ।

## ১.০২ : লিখনৰ বৈশিষ্ট্যমূলক দিশসমূহ :

১) ব্যাকৰণ সম্পৰ্কীয় – শুদ্ধ বাক্য গঠন কৰা আৰু সঠিক শব্দ ৰূপৰ ব্যৱহাৰ কৰা।

২) শব্দভাণ্ডাৰ সম্পৰ্কীয় – অৰ্থ প্ৰকাশৰ বাবে উপযুক্ত শব্দ বাছনি কৰা; যাৰ বাবে শব্দ ভাণ্ডাৰ চহকী কৰাটো আৱশ্যক।

৩) স্পষ্ট প্ৰকাশভংগী – চিন্তাক যুক্তিসংগতভাৱে সংগঠিত কৰা আৰু স্পষ্ট, সাৱলী ভাৱে প্ৰকাশ কৰা।

৪) বানানৰ শুদ্ধতা আৰু বিৰাম চিহ্নৰ প্ৰয়োগ – সঠিক বানান, শুদ্ধ তথা উপযুক্ত বাক্য ব্যৱহাৰ, আৰু যথাস্থানত বিৰাম চিহ্ন প্ৰয়োগ কৰা।

৫) সৃষ্টিশীলতা আৰু শৈলী – উদ্দেশ্য আৰু পাঠকৰ ওপৰত ভিত্তি কৰি ভাষা ব্যৱহাৰ কৰা আৰু গদ্য- পদ্য শৈলীৰ লগত খাপ খুৱাই লোৱা।

৬) পুনৰীক্ষণ আৰু সম্পাদনা – গুণগত মান উন্নত কৰিবলৈ লিখাৰ পিছত লেখাটোৰ পৰ্যালোচনা কৰা আৰু ভুল ত্ৰুটি, দোষ-দুৰ্বলতা দূৰ কৰা।

শৈক্ষিক, পেছাদাৰী আৰু ব্যক্তিগত যোগাযোগৰ বাবে ওপৰোক্ত দিশবোৰত গুৰুত্ব দি লিখনৰ দক্ষতা আয়ত্ত কৰাটো অতি প্ৰয়োজনীয়।

## ১.০৩ : ভাল লিখনৰ দক্ষতা কেনেকৈ আয়ত্ত্ব কৰিব পাৰি ?

ভাল লিখাৰ দক্ষতা বিকাশৰ বাবে অনুশীলন, ধৈৰ্য্য আৰু ইতিবাচক দৃষ্টিভংগীৰ প্ৰয়োজন। লেখা এটাৰ মান ফলপ্ৰসূভাৱে উন্নত কৰিবলৈ কিছুমান কৌশল অৱলম্বন কৰিব পাৰি:

১/ নিয়মিতভাৱে অধ্যয়ন কৰা:

কিতাপ, প্ৰবন্ধ, ৰচনা, আৰু সুলিখিত ব্লগকে ধৰি বিভিন্ন ধৰণৰ পঠন সামগ্ৰী পঢ়িব লাগে। সফল, দক্ষ লেখকে ব্যৱহাৰ কৰা লেখাৰ শৈলী, বাক্য গঠন, শব্দভাণ্ডাৰ আদি বিশ্লেষণ কৰা। চিন্তা-যুক্তিৰ গঠন আৰু ধাৰণাবোৰ কেনেকৈ স্পষ্টভাৱে প্ৰকাশ কৰিব পাৰি তাৰ প্ৰতি সচেতন হোৱা।

২/ নিয়মীয়াকৈ লিখাৰ অভ্যাস কৰা:

লিখিবলৈ দৈনিক সময় নিৰ্ধাৰণ কৰি লিখনৰ নিয়মীয়া চৰ্চা কৰিব লাগে। বাতৰি কাকত, আলোচনী, পত্ৰিকা, e-magazine, e-journal, social digital platform আদিত চুটি প্ৰবন্ধ, গল্প, অণুগল্প, কবিতা, চুটি অনুচ্ছেদ, গুৰুত্বপূৰ্ণ ঘটনা, ভ্ৰমণ কাহিনী আদি লিখাৰ অভ্যাস কৰা আৱশ্যক। বিভিন্ন কাৰ্য্যসূচী, অনুষ্ঠান, প্ৰতিযোগিতা; যেনে গল্প কোৱা, বক্তৃতা, আলোচনা, বিশ্লেষণাত্মক লেখা আদিত ভাগ লোৱা আৰু আনক শিকোৱা বুজোৱা কাৰ্যকলাপ আদিত ভাগ

লোৱা । সহজ বিষয়ৰ পৰা আৰম্ভ কৰি ক্ৰমান্বয়ে জটিল বিষয় সম্পৰ্কে লিখাৰ চৰ্চা কৰিব লাগে।

৩/ **শব্দভাণ্ডাৰ চহকী কৰাৰ বাবে যত্নপৰ হোৱা:**

নিত্য নতুন শব্দ শিকিব আৰু ইয়াৰ সঠিক ব্যৱহাৰ কৰিব শিকিবলৈ কিছুমান পদক্ষেপ লোৱা উচিত। বিভিন্ন ধৰণৰ বাক্য নিৰ্মাণ কৰিবৰ বাবে বিবিধ শব্দ বিচাৰিবলৈ অভিধান, শব্দকোষ আদিৰ নিয়মীয়া ব্যৱহাৰ কৰিব পাৰে। যিমান বেছি শব্দ, সমাৰ্থক শব্দ, বিপৰীত অৰ্থবাচক শব্দ আয়ত্ত্ব কৰিব পাৰিব, লিখাৰ ক্ষেত্ৰতো সিমানেই ভিন ভিন শব্দ প্ৰয়োগ কৰি লেখাত বৈচিত্ৰ সৃষ্টি কৰিব পাৰিব।

কেৱল অত্যাধুনিক শব্দৰ স্বাৰ্থত নাইবা লেখাত বৈচিত্ৰ, নতুনত্ব অনাৰ স্বাৰ্থত অত্যধিক জটিল শব্দ ব্যৱহাৰ কৰিব নালাগে —স্পষ্টতাহে মূল কথা।

৪/ **ব্যাকৰণ আৰু শৈলী সম্পৰ্কীয় দিশত সচেতন হোৱা:**

ব্যাকৰণৰ কিতাপ ব্যৱহাৰ কৰি ব্যাকৰণৰ নিয়ম শিকি লোৱা দৰকাৰ। বিৰাম চিহ্ন, বাক্যৰ গঠন আৰু সাধাৰণ ভুলৰ প্ৰতি মনোযোগ দিয়া প্ৰয়োজন। Grammarly ৰ দৰে ব্যাকৰণ পৰীক্ষাৰ সঁজুলি ব্যৱহাৰ কৰিলেও ইয়াৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰা অনুচিত। ভুলৰ পৰা শিকিব চেষ্টা কৰিলে ভাল। লিখাৰ শৈলী সম্পৰ্কে অভিজ্ঞতা লাভ কৰিবলৈ শৈলীবিজ্ঞান সম্পৰ্কীয় ব্যৱহাৰিক কলা কৌশলত নজৰ ৰাখিব লাগে।

৫/ **নিৰপেক্ষভাৱে সম্পাদনা আৰু সংশোধন কৰা:**

প্ৰথম খচৰাবোৰ নিখুঁত হোৱাটো খুব কমেইহে দেখা যায়। স্পষ্টতা আৰু সংক্ষিপ্ততাৰ বাবে লিখা কথাখিনি একাধিকবাৰ পুনৰীক্ষণ কৰিব লাগে।

অপ্ৰয়োজনীয় শব্দ কাটি ত্ৰুটিপূৰ্ণ বাক্য পৰিশোধন কৰা আৱশ্যক । বিসংগতিপূৰ্ণ

বাক্যাংশ, বাক্য বা অস্পষ্ট ধাৰণা দৃষ্টিগোচৰ হোৱাকৈ লেখাটো উচ্চস্বৰে পঢ়িব লাগে।

## ৬/ বিজ্ঞজনৰ মতামত লোৱা:

গঠনমূলক সমালোচনাৰ বাবে যিকোনো লেখা শিক্ষক, জ্যেষ্ঠজন বা লগৰ অভিজ্ঞ লোকক দেখুৱাই তেওঁলোকৰ পৰা দিহা পৰামৰ্শ ল'লে ভুলবোৰ চকুত পৰাত সুবিধা হয়। লিখা গোট বা অনলাইন গ্ৰুপ আদিত যোগদান কৰিও নিজৰ মতামত বিনিময় কৰিব পাৰি।সমালোচনাৰ পৰা বহুত কথা শিকিব পাৰি।

## ৭/ লিখাৰ সুপৰিকল্পিত গাঁথনি নিৰ্মাণ কৰা

লিখাৰ ক্ষেত্ৰত এটা যুক্তিসংগত প্ৰৱাহ অনুসৰণ কৰিব লাগে। লেখাটো উপস্থাপন কৰোঁতে পাতনি বা পৰিচয় জ্ঞাপন কৰাৰ পৰা আৰম্ভ কৰি মূল বিষয়বস্তুৰ বিশ্লেষণ বা মুল্যায়ন, সিদ্ধান্ত, মন্তব্য, সামৰণি আদি ভাগসমূহ কৰি ল'লে গুৰুত্বপূৰ্ণ সকলো কথা সামৰিব পাৰি।

যেনে:

পৰিচয় বা প্ৰস্তাৱনা

মূল বিষয় উপস্থাপন

উপসংহাৰ

মসৃণ সংযোগৰ বাবে অনুচ্ছেদ বিভাজন আৰু তাৰ পৰিৱৰ্তনৰ আভাস দিবলৈ বিষয়জ্ঞাপক বাক্য ব্যৱহাৰ কৰিব পাৰি। পাঠকক বিভ্ৰান্ত কৰিব পৰা অত্যধিক দীঘল বা জটিল বাক্য পৰিহাৰ কৰিব লাগে।

৮/ লক্ষ্য পাঠকৰ (Target Reader)-ৰ বাবে লিখা:

প্ৰস্তুত কৰা লেখাটো কোনে পঢ়িব- সেইটো বিবেচনা কৰা উচিত আৰু সেই অনুসৰি ভাষা আৰু প্ৰকাশভংগী প্ৰয়োগ কৰাত সচেতন হোৱা দৰকাৰ। সক্ৰিয় লিখন কৌশল ব্যৱহাৰ কৰি আৰু অপ্ৰয়োজনীয় শব্দৰ পৰা আঁতৰি থাকি লেখাটো আকৰ্ষণীয় কৰি ৰাখিব পাৰি। স্পষ্টতা নিশ্চিত কৰা অতি প্ৰয়োজনীয় । পাঠকে লিখা কথাখিনি বুজিবলৈ অসুবিধা পায় নেকি, সেইটো পুনৰীক্ষণ কৰা উচিত।

৯/ বিভিন্ন ধৰণৰ লিখাৰ অভ্যাস কৰা:

বিভিন্ন আৰ্হি অনুসৰন কৰি লিখাৰ চেষ্টা কৰিব লাগে । যেনে: ৰচনা, প্ৰবন্ধ, প্ৰতিবেদন, দিনলিপি(Dairy), ভ্ৰমণ কাহিনী, সৃষ্টিশীল লেখা আৰু ব্লগ আদি। লিখাৰ অনুশীলনৰ সৈতে নিজকে সক্ৰিয়ভাৱে জড়িত ৰাখিব পাৰিলে উপকৃত হ'ব পাৰি । প্ৰবন্ধবোৰ সংক্ষিপ্তভাৱে লিখাৰ অভ্যাস কৰা, যিকোনো বিষয়ৰ বিশ্লেষণ সন্তুলিতভাৱে কৰাৰ চৰ্চ্চা কৰা আদিয়ে লেখাৰ মান উন্নত কৰাত সহায়ক হয় ।

১০/ ধৈৰ্য, সংযম ৰাখি লিখন দক্ষতা অৰ্জনৰ চেষ্টা অব্যাহত ৰখা:

লিখন দক্ষতা এক আজীৱন আয়ত্ত্ব কৰি থাকিবপৰা প্ৰক্ৰিয়া

এই দক্ষতাৰ বিকাশ ক্ৰমান্বয়ে ঘটি থাকে। লিখন দক্ষতা সম্পৰ্কে লিখা কিতাপ পঢ়ি, সৃষ্টিশীল সাহিত্যৰ অধ্যয়ন কৰি লেখাৰ মান উচ্চ পৰ্যায়লৈ নিব পাৰি । উইলিয়াম জিন্সাৰৰ 'অন ৰাইটিং ৱেল' এনেধৰণৰ কিতাপৰ উদাহৰণ । লিখন কৌশল বিকাশৰ অগ্ৰগতি অনুসৰণ কৰিবলৈ আৰু নিজৰ লেখাৰ মান সম্পৰ্কে চিন্তা- চৰ্চা, পৰীক্ষা-নিৰীক্ষা তথা মুল্যায়ন কৰিবলৈ আদৰ্শ লিখনৰ প্ৰতিফলন ঘটা লেখকৰ ৰচনা পঢ়িব পাৰি । উন্নত মানৰ বাতৰি কাকত আলোচনী, পত্ৰিকা আদিৰ জৰিয়তেও বহু কথা শিকিব পাৰি ।